# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 1-04-2025
**Time:** 1340 Hrs

## *Assamese Midday Bulletin*
## *Headlines*

**- - - - - - - - - - - - - -**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভাৰত আৰু ছিলিৰ সম্বন্ধক প্ৰতিফলিত কৰি ছিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়াল বড়িক ফণ্টৰ সৈতে আলোচনাত মিলিত হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, ভাৰতীয় ৰিজাৰ্ভ বেংকে ডিজিটেল পেমেণ্টৰ ক্ষেত্ৰত ভাৰতক গোলকীয় পৰ্যায়ত নেতৃত্ব বহনকাৰী হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

৩। অপাৰেচন ব্ৰহ্মৰ অধীনত ভাৰতীয় বায়ুসেনাৰ এখন বিমানে আজি অত্যাৱশ্যকীয় সামগ্ৰীৰ সৈতে ম্যানমাৰ অভিমুখে ৰাওনা হয়।

৪। ভাৰতীয় বংশোদ্ভৱ মহাকাশচাৰী সুনীতা উইলিয়ামছে ভাৰতীয় মহাকাশ কাৰ্যসূচীত অৱদান আগবঢ়োৱাৰ বাবে তেওঁৰ ইচ্ছাৰ কথা প্ৰকাশ কৰিছে।

**আৰু**

৫। ভাৰতীয় মহিলা হকী দলৰ জ্যেষ্ঠ খেলুৱৈ বন্দনা কাটাৰীয়াই ১৫ বছৰীয়া তেওঁৰ বৰ্ণাঢ্য খেলুৱৈ জীৱনৰ অৱসান ঘটাই আন্তঃৰাষ্ট্ৰীয় হকীৰ পৰা অৱসৰ গ্ৰহণৰ আনুষ্ঠানিক ঘোষণা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভাৰত আৰু ছিলিৰ সম্বন্ধক প্ৰতিফলিত কৰি ছিলিৰ ৰাষ্ট্ৰপতি গেব্ৰিয়াল বড়িক ফণ্টৰ সৈতে আলোচনাত মিলিত হৈছে। দুয়োগৰাকী নেতাৰ বাৰ্তালাপৰ পাছত কেইবাখনো বুজাবুজি চুক্তিত স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। আজি পুৱাৰভাগত ছিলিৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজঘাটলৈ গৈ মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধা জ্ঞাপন কৰে। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ সৈতে তেওঁ মিলিত হয়। জ০ জয়শংকৰে ভাৰত আৰু ছিলিৰ মাজত সুদৃঢ় সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰশংসা কৰে। ড০ জয়শংকৰে আশা প্ৰকাশ কৰে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ছিলিৰ ৰাষ্ট্ৰপতিগৰাকীৰ আজিৰ আলোচনাই দুয়োখন দেশৰ মাজত এটা নতুন দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি কৰি দ্বিপাক্ষিক সম্বন্ধক অধিক সুদৃঢ় কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। ৰাষ্ট্ৰপতী শ্ৰীমতী মুৰ্মুৱে তেওঁৰ সন্মানাৰ্থে আজি নৈশ ভোজৰ আয়োজন কৰিছে। পাঁচ দিনীয়া ভ্ৰমণসূচীৰে ছিলিৰ ৰাষ্ট্ৰপতিগৰাকী আজি নতুন দিল্লীত উপস্থিত হয়। তেওঁৰ

সৈতে  মন্ত্ৰী, সাংসদ, ব্যৱসায়ী আৰু ভাৰত আৰু ছিলিৰ সাংস্কৃতিক সম্বন্ধৰ লগত জড়িত এটা উচ্চপৰ্যায়ৰ প্ৰতিনিধি দল ভাৰতলৈ আহিছে। ৰাষ্ট্ৰপতি হিচাপে এয়া হৈছে তেওঁৰ প্ৰথম ভাৰত ভ্ৰমণ। ৫ এপ্ৰিলত স্বদেশলৈ উভতি যোৱাৰ পূৰ্বে ছিলিৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ভ্ৰমণৰ অংশ হিচাপে আগ্ৰা, মুম্বাই আৰু বেংগালুৰুলৈ যাব। মুম্বাই আৰু বেংগালুৰুত তেওঁ ৰাজনৈতিক নেতা, ব্যৱসায়ী, আৰু উদ্যোগ খণ্ডৰ লগত জৰিত প্ৰতিনিধি, ষ্টাৰ্টআপ, উদ্ভাৱক আৰু প্ৰযুক্তিৰ নেতাসকলৰ সৈতে মিলিত হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, ভাৰতীয় ৰিজাৰ্ভ বেংকে ডিজিটেল পেমেণ্টৰ ক্ষেত্ৰত ভাৰতক গোলকীয় পৰ্যায়ত নেতৃত্ব বহনকাৰী হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে দেশৰ পেমেণ্টৰ আন্তঃগাঁথনিৰ আধুনিকীকৰণ অব্যাহত ৰাখিছে আৰু বিত্তীয় লেনদেনৰ ক্ষেত্ৰত এটা সবল ডিজিটেল অৰ্থব্যৱস্থা গঢ়ি তুলিছে। মুম্বাইত আজি ৰিজাৰ্ভ বেংকৰ ৯০ বছৰীয়া জয়ন্তীৰ সামৰণি অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে কয়, যে বিগত ৯টা দশকত চৰকাৰী লক্ষ্য আৰু নীতিসমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত এই বেংকৰ উল্লেখযোগ্য সফলতাসমূহ অৱলোকন কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ২০৪৭ চনত দেশৰ স্বাধীনতাই ১০০ বছৰ সম্পূৰ্ণ কৰাৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত এটা বিত্তীয় অৰ্থব্যৱস্থা গ্ৰহণৰ পোষকতা কৰে, যাতে সকলোৰে বাবে গ্ৰহণযোগ্য হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নাবাৰ্ড, আই ডি বি আই আৰু নেচনেল হাউচিং বেংক আদি গঢ়ি তুলি বিত্তীয় অৰ্থব্যৱস্থা সুদৃঢ় কৰাৰ ক্ষেত্ৰত ৰিজাৰ্ভ বেংকৰ অৱদানৰ কথা উল্লেখ কৰে। তেওঁ এনেধৰণৰ প্ৰতিষ্ঠানসমূহে কৃষি, ক্ষুদ্ৰ ব্যৱসায় আৰু গৃহ নিৰ্মাণ খণ্ডত এটা উল্লেখযোগ্য ভূমিকা পালন কৰিছে বুলি মন্তব্য কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত কয়, যে নক্সাল মুক্ত ভাৰত গঢ়িবলৈ চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। বাওঁপন্থী উগ্ৰবাদৰ দ্বাৰা প্ৰভাৱিত জিলাসমূহৰ সংখ্যা ১২ৰ পৰা ছয় লৈ হ্ৰাস কৰি ভাৰতে এক নতুন মাইলৰ খুঁটি অৰ্জন কৰা বুলিও গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰী শ্বাহে কয়, যে নক্সলবাদ নিৰ্মূল কৰাৰ লক্ষ্যৰে এখন সশক্ত, সুৰক্ষিত আৰু সমৃদ্ধ ভাৰত গঢ়ি সৰ্বব্যাপী উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে গুৰুত্ব কৰিছে। ৩১ মাৰ্চ ২০২৬ ৰ ভিতৰত ভাৰতৰ পৰা নক্সালবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ বাবে ভাৰত দৃঢ়বদ্ধ বুলিও শ্ৰী শ্বাহে উল্লেখ কৰে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি কৈছে যে, ৱাকফ সংশোধনী বিধেয়ক কাৰো সম্পত্তি বাজেয়াপ্ত কৰাৰ বাবে অনা হোৱা নাই। তেওঁ কয়, যে এই বিধেয়ক ন্যায় প্ৰদান কৰাৰ উদ্দেশ্যেৰে উত্থাপন কৰা হৈছে। সংসদৰ বাহিৰত সংবাদ মাধ্যমৰ আগত শ্ৰী যোশীয়ে এই ক্ষেত্ৰত বিৰোধীয়ে জনসাধাৰণক বিপথে পৰিচালিত কৰিছে বুলি অভিযোগ উত্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কংগ্ৰেছ শাসনাধিস্থিত কৰ্ণাটক চৰকাৰৰ সমালোচনা কৰি কয়, যে এই চৰকাৰে ৰাজ্যখনত কৰৰ পৰিমাণ বৃদ্ধি কৰি আছে।

ইফালে, কংগ্ৰেছ সাংসদ উজ্জ্বল ৰমনে কয়, ৱাকফ সংশোধনী বিধেয়ক সন্দৰ্ভত এটা সবিশেষ আলোচনা হোৱা উচিত যাতে সুকলমে এই বিধেয়কখন পাৰিত কৰিব পৰা যায়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড ° এছ জয়শংকৰে কয় যে অপাৰেচন ব্ৰহ্মৰ অধীনত ভাৰতীয় বায়ুসেনাৰ C-130J বিমান এখনে আজি পুৱা দিল্লীৰ পৰা ১৬ টন অত্যাৱশ্যকীয় মানৱীয় সাহায্য,চাউল আৰু খাদ্য সামগ্ৰী কঢ়িয়াই ম্যানমাৰৰ মণ্ডালায় অভিমুখে ৰাওনা হয়। ভাৰতীয় নৌসেনাৰ INS ঘঁৰিয়াল নামৰ জাহাজখনে ৪৪২ মেট্ৰিক টন অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী কঢ়িয়াই আজি বিশাখাপট্টনমৰপৰা ৰাওনা হোৱা বুলিও শ্ৰীজয়শংকৰে উল্লেখ কৰে । উল্লেখযোগ্য যে যোৱা সপ্তাহত ম্যানমাৰত ৭.৭ ৰিখটাৰ স্কেলত সংঘটিত প্ৰবল ভূমিকম্পত হোৱা মৃত্যুৰ সংখ্যা দুহেজাৰ অতিক্ৰম কৰিছে । অঞ্চলটোত প্ৰাকৃতিক দুৰ্যোগৰ প্ৰথম সঁহাৰি হিচাপে ভাৰতে দ্ৰুতগতিত জৰুৰীকালীন সাহায্য ,উদ্ধাৰ তথা চিকিৎসাকৰ্মীৰ এটা দলৰ লগতে খাদ্য,পানী,টেন্ট,ঔষধ আদি অত্যাৱশ্যকীয় সামগ্ৰী প্ৰেৰণ কৰিছে ।

০০০০০

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি কৈছে যে, আন্তঃৰাষ্ট্ৰীয় বজাৰত সাৰৰ দাম বৃদ্ধি পোৱাৰ পাছতো কেন্দ্ৰীয় চৰকাৰে দেশৰ কৃষকসকলক ব্যয়সাধ্য মূল্যত ৰাজহাসায্যযুক্ত সাৰ প্ৰদান কৰিছে। তেওঁ কয়, যে কৃষিৰ উৎপাদনৰ ক্ষেত্ৰত সাৰ এটা গুৰুত্বপূৰ্ণ উপাদান, সেয়েহে চৰকাৰে সাৰৰ মূল্য নিৰীক্ষণ কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয়, যে প্ৰতিবেগ ইউৰিয়াত ২৬৬ টকা ধাৰ্য্য কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে এন ডি এ চৰকাৰে কৃষকৰ কল্যাণৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০

ভাৰতীয় বংশোদ্ভৱ মহাকাশচাৰী সুনীতা উইলিয়ামছে ভাৰতীয় মহাকাশ কাৰ্যসূচীত অৱদান আগবঢ়োৱাৰ বাবে তেওঁৰ ইচ্ছাৰ কথা প্ৰকাশ কৰিছে। তেওঁ দেশৰ উদ্ভাসিত মহাকাশ কাৰ্যসূচীত তেওঁৰ অভিজ্ঞতাসমূহ আদান প্ৰদান কৰি বিশেষ সমৰ্থন আগবঢ়োৱাৰ বাবে আগ্ৰহ কৰিছে। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা কিছুদিন পূৰ্বে পৃথিৱীলৈ ঘূৰি অহা মহাকাশচাৰীগৰাকীয়ে কালি এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। মহাকাশৰ পৰা ভাৰতক প্ৰত্যক্ষ কৰা আচৰ্যজনক অভিজ্ঞতাৰ কথা স্মৰণ কৰি কয়, যে তেওঁ বিশেষকৈ হিমালয় পৰ্বতমালাক প্ৰত্যক্ষ কৰি অভিভূত হৈছিল। ৫৯ বছৰীয়া মহাকাশচাৰীগৰাকীয়ে তেওঁৰ পিতৃ-মাতৃৰ জন্মভূমি ভাৰত অচিৰেই ভ্ৰমণ কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে।

০০০০০

ভাৰতীয় মহিলা হকী দলৰ জ্যেষ্ঠ খেলুৱৈ বন্দনা কাটাৰীয়াই ১৫ বছৰীয়া তেওঁৰ বৰ্ণাঢ্য খেলুৱৈ জীৱনৰ অৱসান ঘটাই আন্তঃৰাষ্ট্ৰীয় হকীৰ পৰা অৱসৰ গ্ৰহণৰ আনুষ্ঠানিক ঘোষণা কৰিছে। ভাৰতীয় মহিলা হকী দলৰ ইতিহাসত তেওঁ ৩২০ খন আন্তঃৰাষ্ট্ৰীয় খেলত ১৫৮ টা গ'ল কৰি সফলতা অৰ্জন কৰে। ৩২ বছৰীয়া

খেলুৱৈগৰাকীৰ ২০০৯ চনত ছিনিয়ৰ দলত প্ৰথমবাৰৰ বাবে খেলাৰ সুবিধা লাভ কৰে। ২০২০ চনৰ টকিঅ' অলিম্পিকত ভাৰতৰ মহিলা হকী দলটোৱে চতুৰ্থ স্থান লাভ কৰে যদিও এই প্ৰতিযোগিতাত প্ৰথম আৰু একমাত্ৰ ভাৰতীয় খেলুৱৈ হিচাপে হেট্ৰীক কৰাৰ কৃতিত্ব অৰ্জন কৰে। উল্লেখযোগ্য অৱদানৰ বাবে বন্দনাই ২০২১ চনত অৰ্জুন বঁটা আৰু ২০২২ চনত পদ্মশ্ৰী সন্মান লাভ কৰে। ২০২১ চনত তেওঁক হকী ইণ্ডিয়া প্ৰেছিডেণ্ট সন্মান প্ৰদান কৰা হয়। তেওঁলৈ ২০২১ আৰু ২০২২ বৰ্ষত হকী ইণ্ডিয়া ধনৰাজ পিল্লাই বঁটা আগবঢ়োৱা হয়।

০০০০০

মেনোৰ্কা অ'পেন টেনিছ প্ৰতিযোগীতাৰ স্পেইনত অনুষ্ঠিত হ 'বলগীয়া এখন খেলত আজি ভাৰতৰ জীৱন নেদুনচেজিয়ান আৰু বিজয় সুন্দৰ প্ৰশান্তে অভিযান আৰম্ভ কৰিব। পুৰুষৰ ডাবলছ কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈদুগৰাকীয়ে ইটালীৰ মেটিঅ ' ভাবাচ্ছৰী আৰু আন্দেৰা ভাবাচ্ছৰীৰ যুটিটোৰ বিৰুদ্ধে খেলিব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৫ বজাত আৰম্ভ হ 'ব। ইফালে, একেটা শাখাতে স্পেইনৰ ডেভিদ ভেগা হাৰ্নাণ্ডেজৰ সৈতে ভাৰতীয় টেনিছ খেলুৱৈ অনিৰুদ্ধ চন্দ্ৰশেখৰে যুক্তৰাষ্ট্ৰৰ জোছুৱা পেৰিছ আৰু ইজৰাইলৰ ডেনিয়েল কুকিয়াৰমেনৰ যুটিটোৰ বিৰুদ্ধে খেলিব। ভাৰতীয় যুটি ৰামকুমাৰ ৰামানাথন আৰু সাকেথ মাইনেনীয়েও পুৰুষৰ ডাবলছ শাখাত কাইলৈ প্ৰি-কোৱাৰ্টাৰফাইনেলতআৰ্জেণ্টিনাৰপেড্ৰ' কেচিন আৰু স্পেইনৰ ইজান ক 'ৰেজাৰ বিৰুদ্ধে খেলিব।

০০০০০

আই পি এল টি টুৱেন্টি ক্ৰিকেট প্ৰতিযোগীতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হবলগীয়া খেলত লক্ষ্ণৌ ছুপাৰ জায়েন্ট পঞ্জাব কিংছৰ মুখামুখি হব।

কালি নিশা মুম্বাইৰ ৱাংখাড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছে কলকাতা নাইট ৰাইডাৰ্ছক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০

সমাপ্ত